NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
**0000000000**

Date : 05-10-2022
Time : 1910 Hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিমাচল প্ৰদেশৰ বিলাসপুৰত ৩ হাজাৰ ৬৫০ কোটিৰো অধিক টকাৰ ভালেমান প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে বিগত আঠ বছৰত উন্নমূলক কাম-কাজৰ সুফল দেশৰ দূৰণিবটীয়া অঞ্চলৰ লোকসকলৰ ওচৰলৈ লৈ যোৱাৰ হকে কাম কৰি আহিছে।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পাকিস্তানৰ সৈতে কোনোধৰণৰ আলোচনাৰ সম্ভাৱনা নুই কৰি কৈছে যে, মোদী চৰকাৰে অকল জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ সৈতেহে আলোচনা কৰিব।

৪। কেৰ'লিন বৰ্ট্ৰ'জি, ম'ৰ্টন মেল্ডল আৰু বেৰী ছাৰ্পলেছলৈ যৌথভাৱে চলিত বৰ্ষৰ ৰসায়ণ বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিমাচল প্ৰদেশৰ বিলাসপুৰত ৩ হাজাৰ ৬৫০ কোটিৰো অধিক টকাৰ ভালেমান প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। বিলাসপুৰত উপস্থিত হোৱাৰ পাছতেই প্ৰধানমন্ত্ৰীয়ে কোহটীপুৰাত এহেজাৰ ৪৭০ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। ২৪৭ একৰৰো অধিক ভূমিত  নিৰ্মাণ কৰা এই প্ৰতিষ্ঠানটো সকলো ধৰণৰ অত্যাধুনিক চিকিৎসা সুবিধাৰে সুসজ্জিত। প্ৰধানমন্ত্ৰীয়ে লগতে বিলাসপুৰৰ বান্দলাত চৰকাৰী জল অভিযান্ত্ৰিক মহাবিদ্যালয় মুকলি কৰে। ইয়াৰ উপৰি শ্ৰীমোদীয়ে নালাগঢ়ত ৩৫০ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰিবলগীয়া চিকিৎসা সঁজুলি উদ্যান আৰু ভাৰতমালা প্ৰকল্পৰ অধীনত পিঞ্জোৰৰ পৰা নালাগঢ় পৰ্য্যন্ত নিৰ্মাণ কৰিবলগীয়া চাৰিটা লেনযুক্ত পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

পাছত বিলাসপুৰত ঐতিহাসিক লুহনু ময়দানত এখন জনসভাত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিলাসপুৰৰ স্থানীয় ভাষাত জনসাধাৰণক অভিনন্দন জনায়। তেওঁ কয় যে, বিলাসপুৰত নিৰ্মাণ কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানখন সেউজ এইমছ বুলি জনা যাব, কাৰণ এই প্ৰতিষ্ঠানখন পৰিৱেশ অনুকূলভাৱে নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে কয় যে, এই প্ৰতিষ্ঠানখনে ৰাজ্যখনৰ জনসাধাৰণৰ বাবে বহনসাধ্য স্বাস্থ্য সেৱা সুনিশ্চিত কৰাই নহয়, বৰং অঞ্চলটোৰ জনসাধাৰণক নিজৰ ঘৰৰ ওচৰতে উন্নত স্বাস্থ্য যতন সুবিধা প্ৰদান কৰিব। কেন্দ্ৰীয় চৰকাৰে বিগত আঠ বছৰত উন্নমূলক কাম-কাজৰ সুফল যাতে দেশৰ দূৰণিবটীয়া অঞ্চলৰ লোকসকলেও লাভ কৰে, তাক সুনিশ্চিত কৰাৰ বাবে কাম কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, হিমাচল প্ৰদেশে দেশৰ সীমান্তৰ সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু আজি মুকলি কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানে ৰাজ্যখনক জীৱন ৰক্ষাৰ স্থানৰূপে গঢ়ি তোলাত অভূতপূৰ্ব অৰিহণা যোগাব। প্ৰধানমন্ত্ৰীয়ে লগতে কোৱিড নাইণ্টিন প্ৰতিষেধক অভিযান আৰু জল-জীৱন মিছনৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে হিমাচল প্ৰদেশ চৰকাৰৰ ভূয়সী প্ৰশংসা কৰে। ৰাজ্য চৰকাৰে প্ৰদান কৰা সামাজিক সুৰক্ষা কবচ সঁচাকৈ প্ৰশংসনীয় বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে হিমাচল প্ৰদেশক সুযোগৰ ভূমি বুলি অভিহিত কৰে। ইয়াৰ পূৰ্বে বিলাসপুৰৰ হেলিপেডত উপস্থিত হোৱাৰ সময়ত প্ৰধানমন্ত্ৰীক ৰাজ্যপাল বিশ্বনাথ আৰলেকৰ, মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা, কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ আৰু ৰাজ্যিক কেবিনেটৰ সদস্যসকলে বিপুলভাৱে আদৰণি জনায়।

ৰাজ্যখনৰ মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেৱভূমি হিমাচল প্ৰদেশলৈ আদৰণি জনাই কয় যে, হিমাচল প্ৰদেশৰ জনসাধাৰণ প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনলৈ দেখুওৱা মৰম-চেনেহৰ বাবে তেওঁৰ ওচৰত চিৰ ঋণী হৈ ৰ'ব। তেওঁ কয় যে, মাত্ৰ ৭০ লাখ জনসংখ্যাৰ হিমাচল প্ৰদেশৰ দৰে সৰু ৰাজ্যত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান স্থাপন কৰা কাৰ্য্যই ৰাজ্যখনৰ উন্নয়ন তথা ইয়াৰ জনসাধাৰণৰ কল্যাণৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ গুৰুত্বৰ কথাকে প্ৰতিফলিত কৰে। তেওঁ লগতে আজি ৩ হাজাৰ ৬৫৩ কোটি টকাৰ উন্নয়নমূলক প্ৰকল্প ৰাজ্যখনৰ নামত উৎসৰ্গা কৰাৰ বাবে প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদ জ্ঞাপন কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি অংশগ্ৰহণ কৰি সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ বাহিৰত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান স্থাপনৰ পৰিকল্পনা কৰিছিল, কাৰণ ১৯৬০ চনতে দিল্লীত প্ৰথমখন অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান মুকলি কৰা হৈছিল। তেওঁ কয় যে, চাৰিবছৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰতিষ্ঠানখনৰ আধাৰশিলা স্থাপন কৰিছিল আৰু কোৱিড নাইণ্টিন মহামাৰী সত্বেও অভিলেখ সময়ৰ ভিতৰত এই অভিলাষী প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰা হৈছে। তেওঁ লগতে বান্দলাৰ চৰকাৰী জল-অভিযান্ত্ৰিক মহাবিদ্যালয়খনক ৰাজ্যখনৰ বাবে প্ৰধানমন্ত্ৰীৰ বৃহৎ উপহাৰ বুলি অভিহিত কৰে। শ্ৰীনড্ডাই কয় যে, কংগ্ৰেছ চৰকাৰে সদায় ৰাজ্যখনৰ স্বাৰ্থৰ প্ৰতি আওকাণ কৰাৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিমাচল প্ৰদেশৰ বিশেষ ৰাজ্যৰ মৰ্য্যাদা বাহাল কৰিছে।

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে বিজয়া দশমীৰ পবিত্ৰ ক্ষণত প্ৰধানমন্ত্ৰীক দেৱভূমি হিমাচল প্ৰদেশলৈ আদৰণি জনাই ৰাজ্যখনৰ বাবে বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ বাবে শ্ৰীমোদীক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীঠাকুৰে তেওঁৰ ভাষণত হৰ ঘৰ নল-হৰ ঘৰ জল, অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ সুবিধা, ৰে'ল যোগাযোগ, এক পদবী-এক পেঞ্চন আৰু ফচল বীমা তথা কিষাণ

সন্মান নিধি যোজনাৰ দৰে বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰে। তেওঁ কয় যে, বৰ্তমান চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কোভিডৰ দৰে মহামাৰীৰ সময়ছোৱাতো ২১৮ কোটিৰো অধিক পালি প্ৰতিষেধক প্ৰদান কৰিবলৈ সমৰ্থ হৈছে। মোদী চৰকাৰে ফচল বীমা আৰু কিষাণ সন্মান নিধি আঁচনিৰ জৰিয়তে কৃষকসকলক যথেষ্ট সহায় কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত হিমাচল প্ৰদেশৰ ৰাজ্যপাল বিশ্বনাথ আৰলেকৰ, মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা প্ৰমুখ্যে ভালেমান বিশিষ্ট লোক উপস্থিত থাকে। প্ৰধানমন্ত্ৰীয়ে আজি কুল্লুৰ দছেৰা উৎসৱতো অংশগ্ৰহণ কৰাৰ কথা আছে।

০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পাকিস্তানৰ সৈতে কোনোধৰণৰ আলোচনাৰ সম্ভাৱনা নুই কৰি কৈছে যে, মোদী চৰকাৰে অকল জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ সৈতেহে আলোচনা কৰিব। তেওঁ লগতে জম্মু-কাশ্মীৰৰ পৰা যিকোনো প্ৰকাৰে সন্ত্ৰাসবাদক উৎখাট কৰাত গুৰুত্ব আৰোপ কৰে। উত্তৰ কাশ্মীৰৰ বাৰামুল্লা চহৰৰ এখন বিশাল জনসভাত ভাষণ দি গৃহ মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে, কংগ্ৰেছ, নেচনেল কনফাৰেন্স আৰু পিপলছ ডেম'ক্ৰেটিক পাৰ্টী - পি ডি পিয়ে যোৱা ৭৫ বছৰত জম্মু-কাশ্মীৰক ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। শ্ৰীশ্বাহে কয় যে, ভূপূৰ্ব মুখ্যমন্ত্ৰীদ্বয় নেচনেল চনফাৰেন্সৰ ডাঃ ফাৰুক আব্দুল্লা আৰু পি ডি পি নেতা মেহবুবা মুফ্‌টি এই অঞ্চলৰ লোকসকলৰ দুঃখজনক অৱস্থাৰ বাবে জগৰীয়া তেওঁ কয় যে, মোদী চৰকাৰে কাশ্মীৰত বিকাশাত্মক আৰু ঔদ্যোগিক পৰিবৰ্তন সাধন কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, যোৱা ৭৫ বছৰত কংগ্ৰেছ, নেচনেল কনফাৰেন্স আৰু পি ডি পিয়ে জম্মু-কাশ্মীৰত মাত্ৰ ১৫ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰিছিল, কিন্তু মোদী চৰকাৰে যোৱা কেইটামান বছৰতে ৫৬ হাজাৰ কোটি টকা বিনিয়োগ কৰিবলৈ সক্ষম হৈছে।শ্ৰীঅমিত শ্বাহে কয় যে, মোদী চৰকাৰৰ ঔদ্যোগিক পেকেজে যুৱক-যুৱতীসকলৰ হাতত বন্দুকৰ সলনি লেপটপ আৰু মোবাইল ফোন অৰ্পণ কৰিছে।

০০০০০০০০

কেৰ'লিন ব্ৰ'জি, ম'ৰ্টন মেল্ডল আৰু বেৰী ছাৰ্পলেছলৈ চলিত বৰ্ষৰ ৰসায়ণ বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। বিজ্ঞানী তিনিগৰাকীক ক্লিক ৰসায়ণ বিজ্ঞান হিচাপে জনাজাত অণুৰ ভগন সম্পৰ্কীয় কামৰ বাবে এই বঁটাৰে সন্মানিত কৰা হৈছে। ক্লিক ৰসায়ণ বিজ্ঞান জীৱিত কোষৰ দৰে অণুসমূহক একগোট কৰণৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত। কোষৰ অন্বেষণ আৰু জৈৱিক প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে বিজ্ঞানীকেইগৰাকীৰ কামৰ সহায় লোৱা হয়। কৰ্কট ৰোগৰ চিকিৎসাৰ ঔষধত ইয়াৰ প্ৰয়োগ কৰা হয়।

আমেৰিকাৰ বেৰী ছাৰ্পলেছ, কেৰ'লিন ব্ৰ'জি আৰু ডেনমাৰ্কৰ ম'ৰ্টন মেল্ডল ক্লিক ৰসায়ণ বিজ্ঞানৰ বায়' অৰ্থগ'নেল প্ৰক্ৰিয়া সম্পৰ্কীয় কাম-কাজৰ বাবে প্ৰসিদ্ধ। কৰ্কট ৰোগৰ ঔষধ প্ৰস্তুত কৰাৰ লগতে জিণৰ অৱস্থান ধৰা পেলোৱা আৰু বিশেষ উদ্দেশ্য অনুযায়ী সামগ্ৰী নিৰ্মাণৰ বাবে ইয়াৰ ব্যৱহাৰ কৰা হয়। ২০০১ চনত ন'বেল বঁটা লাভ কৰা ৮১ বছৰীয়া ছাৰ্পলেছ দুবাৰকৈ এই বঁটা লাভ কৰা বিশ্বৰ পঞ্চমগৰাকী ব্যক্তি। ৬৮ বছৰীয়া মেল্ডল ডেনমাৰ্কৰ ক'পেনহেগন বিশ্ববিদ্যালয়ত কৰ্মৰত। সম্প্ৰতি তেওঁ কেলিফ'ৰ্ণিয়াত স্ক্ৰীপ্‌টছ ৰিচাৰ্ছ প্ৰতিষ্ঠানৰ সৈতে জড়িত। আনহাতে, ৫৫ বছৰীয়া ব্ৰ'জি কেলিফ'ৰ্ণিয়াৰ ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ত কৰ্মৰত। সাহিত্যৰ ন'বেল বঁটা কাইলৈ আৰু পৰহিলৈ শান্তিৰ ন'বেল বঁটা ঘোষণা কৰা হ'ব। চিকিৎসা বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা ইতিমধ্যে ঘোষণা কৰা হৈছে।

০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ লক্ষ্ণৌত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। শৃংখলাৰ বাকী দুখন খেলৰ এখন ৯ অক্টোবৰত ৰাঁচীত আৰু আনখন ১১ অক্টোবৰত দিল্লীত খেলোৱা হ'ব।

০০০০০০০০

**সমাপ্ত**